অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং : ২৬৭
উত্তৰ দানৰ তাৰিখ : ১৩/০৭/২০২৬

*বিষয়:* **অগ্নি আৰু আপাতকালীন সেৱা আস্থান স্থাপন সম্পৰ্কে।**

শ্ৰী ঋষিৰাজ হাজৰিকা : মাননীয় বিধায়ক

মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

৭৪ নং ৰঙানদী বিধান সভা সমষ্টিৰ অন্তৰ্গত লালুক চহৰত প্ৰস্তাৱিত অগ্নি আৰু আপাতকালীন সেৱা আস্থান স্থাপনৰ বাবে ২০১৮ চনত বিভাগীয় ভূমি আৱন্টন কৰা হৈছিল যদিও বৰ্তমানলৈকে কেন্দ্ৰটোৰ স্থাপন আৰু কাৰ্য্যক্ষমকৰণ আৰম্ভ হোৱা নাই। এই প্ৰকল্পটোৰ বৰ্তমান স্থিতি কি আৰু ইয়াৰ ৰূপায়ণৰ বাবে বিভাগৰ পৰবৰ্তী পদক্ষেপ কি ?

**উত্তৰ :**

মাননীয় গৃহ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দেৱে উত্তৰ দিব :

লক্ষীমপুৰ জিলাৰ ৭৪ নং ৰঙানদী বিধান সভা সমষ্টিৰ অন্তৰ্গত লালুক চহৰত এটা অগ্নি আৰু আপদকালীন সেৱা আস্থান স্থাপনৰ প্ৰস্তাৱ বিভাগে ইতিমধ্যে লাভ কৰিছে।

ইয়াৰ সমান্তৰাল ভাৱে ভূমি আৱন্টনৰ ক্ষেত্ৰত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি লালুক মৌজাৰ অন্তৰ্গত নিজ লালুক মানচিত্ৰৰ ডাগ নম্বৰ ৮৭-এ আৱৰি থকা ৪ কঠা ৭ লেচা চৰকাৰী ভূমি আৱণ্টনৰ এক প্ৰস্তাৱ প্ৰথমতে ১৬.১০.২০১৭ তাৰিখে মহকুমা ভূমি উপদেষ্টা সমিতি (SDLAC)ৰ দ্বাৰা অনুমোদিত হৈছিল আৰু প্ৰয়োজনীয় অনুমোদনৰ বাবে তদানিন্তন লখিমপুৰৰ জিলা আয়ুক্তৰ ০৩.০১.২০১৮ তাৰিখৰ পত্ৰৰ জৰিয়তে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগলৈ প্ৰেৰণ কৰা হৈছিল যদিও শেহতীয়া তথ্য অনুসৰি প্ৰস্তাৱিত ৪ কঠা ৭ লেচা ভূমি আস্থানটোৰ আন্তঃগাঁথনি নিৰ্মাণ আৰু ভৱিষ্যতৰ কাৰ্যক্ষম প্ৰয়োজনীয়তাৰ বাবে পৰ্য্যাপ্ত নহয় । সেয়েহে অগ্নি আৰু আপদকালীন সেৱা কৰ্তৃপক্ষই লালুক এলেকাৰ বাবে নূন্যতম ৪ ৰ পৰা ৫ বিঘা ভূমি আৱণ্টনৰ অনুৰোধ জনাইছে আৰু এই সংশোধিত প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি, বিহপুৰীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই ৪ ৰ পৰা ৫ বিঘা পৰিমাণৰ এক বিকল্প তথা উপযুক্ত চৰকাৰী ভূখণ্ড চিনাক্ত কৰিবলৈ খৰতকীয়াকৈ এক ক্ষেত্ৰভিত্তিক জৰীপ আৰম্ভ কৰিছে । উপযুক্ত ভূমি হস্তান্তৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'লেই পৰবৰ্তী পদক্ষেপ গ্ৰহণ কৰা হ'ব।

*****